**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 24-02-2026 **Time :** 1100 Hrs.

0000000000

মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ অধীনত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাৰ্বি আংলং জিলাত আত্মসহায়ক গোটৰ ১৭ হাজাৰ ৩৯৮ গৰাকী মহিলাক ১০ হাজাৰ টকাকৈ বীজ মূলধন প্ৰদান কৰিব। বোকাজানৰ হানজাংলাংছ' ষ্টেডিয়ামত দিনৰ চাৰে ১১ বজাত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে এই ধনৰাশি বিতৰণ কৰিব। অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ড° তুলিৰাম ৰংহাং, ক্ৰীড়া আৰু যুৱকল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোছা, অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিন আৰু ডিফু সমষ্টিৰ সাংসদ অমৰ সিং টিছ' উপস্থিত থাকিব। মুখ্যমন্ত্ৰীয়ে ইয়াৰ পাছতে ১২ কোটি ৫০ লাখ টকা ব্যয়েৰে নিৰ্মিত খটখটি মিনি ষ্টেডিয়াম আৰু বোকাজান বিধানসভা সমষ্টিৰ বালিপথাৰ, চিলনীজান, বৰপথাৰ আৰু হিদিপিত সাপ্তাহিক বজাৰ প্ৰকল্প উদ্বোধন কৰিব।

মুখ্যমন্ত্ৰীয়ে আজি বিয়লি মহিলা উদ্যমিতা অভিযানৰ অধীনত যোৰহাট জিলাৰ মৰিয়নিত মহিলা হিতাধিকাৰীসকলক ধন বিতৰণ কৰিব। সমষ্টিটোৰ ২৮ হাজাৰ গৰাকী মহিলাক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰা হ'ব।

০০০০০০০

ড'নাৰ মন্ত্ৰালয়ৰ অধীনৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান উত্তৰ-পূব আঞ্চলিক কৃষি বিপণন নিগম লিমিটেড নেৰামেকৰ উদ্যোগত প্ৰতিষ্ঠানটোৰ চৌহদত কালি উত্তৰ-পূৰ্বাঞ্চল মীন মহোৎসৱৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। মীন খণ্ডৰ উন্নয়ন ত্বৰান্বিত কৰা, বজাৰ শক্তিশালী কৰা, উত্তৰ-পূৰ্বাঞ্চলৰ চহকী জলজ জৈৱ বৈচিত্ৰ উদযাপনৰ বাবে এখন মঞ্চ গঠনৰ লক্ষ্যৰে এই মহোৎসৱৰ আয়োজন কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত দিয়া ভাষণত নেৰামেকৰ পৰিচালন সঞ্চালক ভাস্কৰ বৰুৱাই কৃষক উৎপাদন সংস্থাসমূহৰ বিস্তৃত নেটৱৰ্ক আৰু শক্তিশালী যোগান শৃংখলাৰ জৰিয়তে উত্তৰ-পূবৰ কৃষি আৰু কৃষক সম্প্ৰদায়ৰ উন্নয়নৰ ক্ষেত্ৰত প্ৰতিষ্ঠানটোৱে কাম কৰি আহিছে বুলি উল্লেখ কৰে। অনুষ্ঠানত নাবাৰ্ডৰ মহা-প্ৰৱন্ধক কমৰ জাভেদে উত্তৰ-পূৰ্বাঞ্চলত মীন পালন জীৱিকাৰ অন্যতম প্ৰধান উৎস বুলি মন্তব্য কৰে।

০০০০০০০

———মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ ষষ্ঠ সমাৱৰ্তন আজি গুৱাহাটীৰ শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ আচাৰ্য ভৱেন্দ্ৰনাথ ডেকা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু বিশেষ বক্তা হিচাপে এন ই চি টি এ আৰ - নতুন দিল্লীৰ সঞ্চালকপ্ৰধান ড° অৰুণ কুমাৰ শৰ্মা উপস্থিত থাকিব। বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক ড° শৰৎ হাজৰিকাই প্ৰকাশ কৰা মতে এইবাৰ বিশিষ্ট সাহিত্যিক, অধ্যাপক নগেন শইকীয়াক ডি লীট সন্মান আৰু শিক্ষাবিদ ড° দীনেশ চন্দ্ৰ গোস্বামীক ডি এছ চি সন্মান আগবঢ়োৱা হ'ব। এই সমাৱৰ্তনত তিনিটা শৈক্ষিক বৰ্ষৰ ৭৯ গৰাকীক পি এইচ ডি, ৭৬৮ গৰাকীক স্নাতক-স্নাতকোত্তৰ আৰু ডিপ্ল'মাৰ প্ৰমাণপত্ৰ আগবঢ়োৱা হ'ব।

০০০০০০০

ব্ৰহ্মপুত্ৰ উপত্যকাৰ জৈৱ বৈচিত্ৰ্য আৰু পৰিৱেশতন্ত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা মেচেকা নামৰ মাছুৱৈ মেকুৰীবিধৰ সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত অঞ্চলত কালি মেচেকা দিৱস উদযাপন কৰা হয়। এই দিৱস উপলক্ষে ৰাষ্ট্ৰীয় উদ্যানখনৰ কাষৰীয়া বিদ্যালয়সমূহৰ একাংশ ছাত্ৰ-ছাত্ৰীক উদ্যান কৰ্তৃপক্ষৰ উদ্যোগত অগৰাতলি বনাঞ্চললৈ নিয়া হয়। বনাঞ্চলটোৰ চহলাবিলৰ পাৰত অনুষ্ঠিত মূল কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীসকলক আৰ্দ্ৰ ভূমি, জলাশয়, দলনি, পিতনিৰ দৰে অঞ্চলসমূহৰ জৈৱতন্ত্ৰত গুৰুত্বৰ লগতে এইবোৰত বাস কৰা মেচেকাৰ বিষয়েও অৱগত কৰা হয়। মেচেকাৰ জীৱন চক্ৰ, ইয়াৰ সংৰক্ষণৰ প্ৰচেষ্টা আৰু মেচেকাৰ গোলকীয় স্থিতিৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক বনাঞ্চলিক বিষয়া বিদ্যুৎ বিকাশ বৰা, মেচেকা প্ৰকল্পৰ সমন্বয়ক টিয়াছা আদ্যকে ধৰি ভালেসংখ্যক সমল ব্যক্তিয়ে জানিবলৈ দিয়ে। কাৰ্যসূচীৰ অংশ হিচাপে ছাত্ৰ-ছাত্ৰীসকলক মেচেকা সন্দৰ্ভত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ইয়াৰ লগতে ৰাষ্ট্ৰীয় উদ্যানখনত তিনিওটা বন সংমণ্ডলত ৰূপায়িত সপ্তম পক্ষী গণনা আৰু মেচেকা পৰিসংখ্যা প্ৰতিবেদনো কালি মুকলি কৰা হয়। এই প্ৰতিবেদনত ৰাষ্ট্ৰীয় উদ্যানখনত সৰ্বমুঠ ৫৭ টা মেচেকা থকাৰ তথ্য লাভ কৰা হৈছে। উল্লেখযোগ্য যে সমগ্ৰ ভাৰত উপ-মহাদেশৰ ভিতৰত কাজিৰঙাতে মেচেকাৰ অৱস্থিতিৰ ঘনত্ব আটাইতকৈ বেছি।

০০০০০০০০

সামাজিক সাংস্কৃতিক অনুষ্ঠান জ্যোতিৰূপাৰ অষ্টাদশ বাৰ্ষিক সিংহপুৰুষ ৰাধা গোবিন্দ বৰুৱা নাট সমাৰোহ আজিৰে পৰা ২৬ ফেব্ৰুৱাৰীলৈ গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ মাধৱদেৱ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। প্ৰতি সন্ধিয়া ৬ বজাৰ পৰা নাটসমূহ পৰিৱেশন কৰা হ'ব। উদ্বোধনী অনুষ্ঠানৰ পাছতে মাণিক ৰয় পৰিচালিত 'মধুমক্ষিকা' নাটখন মঞ্চস্থ কৰা হ'ব। কাইলৈ জ্যোতি নাৰায়ণ নাথৰ ৰচনা আৰু পৰিচালনাৰে সোণালী বেলি নাটখন মঞ্চস্থ কৰা হ'ব। ২৬ ফেব্ৰুৱাৰীত উজলা বৰ্মনৰ কাহিনীত অম্লানদীপ শইকীয়াই নাট্যৰূপ দিয়া 'বুকুৰ সৰু চৰাই' নাটখন মঞ্চস্থ কৰা হ'ব।

নগাঁও জিলাৰ বেবেজীয়াত ৭ মাৰ্চৰ পৰা দুদিনীয়াকৈ ৰ'দঘাই নাট মহোৎসৱ অনুষ্ঠিত হ'ব। সপ্তম বাৰ্ষিক এই নাট সমাৰোহত দিনৰ ভাগতে শব্দযন্ত্ৰ আৰু কৃত্ৰিম পোহৰ অবিহনে ছখন অপেছাদাৰী নাট মঞ্চস্থ কৰা হ'ব। ৭ মাৰ্চত বিয়লি ১ বজাৰ পৰা চন্দ্ৰজ্যোতি সংঘৰ 'ৰং বেৰং', জ্যোতি ৰংগমঞ্চৰ 'অগ্ৰাহ্য' আৰু ঐকান্তিক সাংস্কৃতিক গোষ্ঠীৰ 'কোন পথৰ পথিক' শীৰ্ষক নাট মঞ্চস্থ কৰা হ'ব। দ্বিতীয় দিনা তেজপুৰৰ বাণ থিয়েটাৰে 'টেটোন তামুলী', অৰিহণা নাট্য গোষ্ঠীয়ে 'বনফুল বকুল' আৰু ৰ'দঘাই বেবেজীয়াই 'দৰ্খাস্ত' নামৰ নাটক পৰিৱেশন কৰিব।

০০০০০০০

চৰাইদেউ জিলাৰ বৰহাটৰ কৃতী শিক্ষয়িত্ৰী, লেখিকা তথা নাট্যকাৰ বিশ্বয়ন্তী সন্দিকৈলৈ অসম লেখিকা সংস্থাৰ ২০২৬ বৰ্ষৰ আই পদ্মপ্ৰিয়া বঁটা আগবঢ়োৱা হৈছে। অহা ৮ মাৰ্চত আন্তৰ্জাতিক নাৰী দিৱসত বৰহাট চাহ সন্থাৰ কাৰ্যালয়ত এই বঁটা প্ৰদান কৰা হ'ব। লেখিকাসন্থাৰ সাধাৰণ সম্পাদিকা উদয়ন্তী হাজৰিকাই জনোৱা মতে, বিশ্বয়ন্তী সন্দিকৈ অঞ্চলটোৰ বিভিন্ন সামাজিক কাম-কাজৰ সৈতে দীৰ্ঘদিনৰ পৰা জড়িত হৈ আহিছে।

০০০০০০০

**সমাপ্ত**